সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



নৱম শ্ৰেণীৰ বাবে

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

অৰ্থনীতিৰ মৌলিক বিষয়সমূহ

অংশ – ৩

দীপিমণি দত্ত

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

অর্থবিজ্ঞানৰ কেইটামান মৌলিক ধাৰণা

অভাব

সেৱা

১. বস্তু বা সামগ্রী (Goods)

☛ মানুহৰ অভাৱ পূৰণ কৰি সন্তুষ্টি প্রদান কৰিব পৰা সকলো সামগ্রী (Commodity) আৰু সেৱাকার্য (Service)কে অর্থবিজ্ঞানত বস্তু বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

☛ সামগ্ৰীসমূহক এনেদৰে শ্ৰেণীভুক্ত কৰিব পাৰি —

- ভৌতিক বস্তু — যেনে, চকী-মেজ, ঘৰ-দুৱাৰ, যন্ত্ৰ-পাতি, খাদ্য, বস্ত্ৰ আদি
- অভৌতিক বস্তু — যেনে- শিক্ষক, চিকিৎসক, ৰাজনীতিবিদ, আৰক্ষী, অধিবক্তা আদিৰ সেৱা

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



মুক্ত সামগ্ৰী আৰু আৰ্থিক সামগ্ৰী

মুক্ত বস্তু — প্ৰকৃতিৰ উপহাৰ (সূৰ্য্যৰ পোহৰ, বতাহ, বৰষুণ)

- প্ৰচুৰ পৰিমাণে যোগান
- কোনো মূল্য নাই



Under CSR Support by
ipca | Foundation

আর্থিক বস্তু — চাহিদাৰ তুলনাত সীমিত যোগান

- এনে বস্তু মুক্ত নহয়, যাৰ দাম আছে।
- উদাহৰণ : বিদ্যুৎ, খাদ্য, বস্ত্র।



ভোগ্য সামগ্রী আৰু উৎপাদক সামগ্রী

- ভোগ্য সামগ্রী (Consumption Goods)
- উৎপাদক সামগ্রী (Producer Goods)



উৎপাদকৰ সামগ্ৰী/মূলধনী সামগ্ৰী (মধ্যৱৰ্তী সামগ্ৰী) —

- উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয়
- প্ৰত্যক্ষভাৱে খোৱাৰ বাবে নহয়



২. উপযোগিতা (Utility)

- উপযোগিতা হৈছে কোনো বস্তুৰ বা সেৱাৰ মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতা।
- যেনেকৈ এসাজ ভাত বা কেইখনমান ৰুটিয়ে ক্ষুধাতুৰ এজনৰ ভোক দূৰ কৰিব পাৰে, তেনেকৈ এজন চিকিৎসকৰ সেৱাৰ পৰা ৰোগীয়ে আৰোগ্য লাভ কৰে।
- বস্তুৰ বা সেৱাৰ এনে অভাৱ দূৰ কৰিব পৰা ক্ষমতাই হৈছে উপযোগিতা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


৩. সম্পদ (Wealth)

- সকলো সামগ্ৰীকে ধন-সম্পত্তি বুলি গণ্য কৰা নহয়।
- সম্পদ হিচাপে শ্ৰেণীভুক্ত হ'বলৈ হ'লে এটা সামগ্ৰীৰ তলত দিয়া বৈশিষ্ট্যসমূহ থাকিব লাগিব।

১. উপযোগিতা : ভাল বস্তুটো ব্যৱহাৰযোগ্য হ'ব লাগিব আৰু মানুহৰ অভাৱ পূৰণ কৰিব লাগিব।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



২. অপ্রচুৰতা : চাহিদাৰ তুলনাত সামগ্ৰীৰ যোগান সীমিত হ'ব লাগিব, যাৰ ফলত ই মূল্যৱান হ'ব।


৩. হস্তান্তৰযোগ্যতা : সামগ্ৰীটোৰ মালিকীস্বত্ব আৰু এজন ব্যক্তিৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পৰা হ'ব লাগিব।

৪. বাহ্যিকতা : এজনে আনজনেক দিব পৰা আৰু ভৌতিক অস্তিত্ব থকা হ'ব লাগিব ।

চাৰিটা

উদাহৰণ —


- খাদ্য, কাপোৰ, আচবাব, কয়লা, খাৰুৱা তেল (চোৰিটা বৈশিষ্ট্যৰ অধিকাৰী)
- সূর্য্যৰ পোহৰ (প্রচুৰ), প্রতিভা (হস্তান্তৰযোগ্য নহয়)।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪. অভাৱ (Wants)




- কোনো বস্তুৰ পৰা উপযোগিতা লাভৰ আকাংক্ষা সৃষ্টি হোৱাকে অভাৱ বোলে।
- আন কথাত, কোনো এটা বস্তুৰ ব্যৱহাৰ অত্যাৱশ্যকীয় হৈ পৰা অৱস্থাই হ'ল অভাৱ।
- উদাহৰণস্বৰূপে দৈনন্দিন ব্যস্ততাৰ মাজত অৱসাদ দূৰ কৰাৰ বাবে যদি গান শুনাৰ আকাংক্ষা সৃষ্টি হয় তাকে অভাৱ বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- জীয়াই থাকিবলৈ ভাত, কাপোৰ, ঘৰ ইত্যাদিবোৰ অত্যাৱশ্যকীয়।
- কিন্তু এইবোৰ নথকালৈকে ই অভাৱ হিচাপে বিবেচিত হ'ব।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

৫. কল্যাণ (Welfare)

☛ কল্যাণ দুই প্ৰকাৰৰ —


1. অৰ্থনৈতিক কল্যাণ
2. অনা-অৰ্থনৈতিক কল্যাণ

দৰ/দাম
মুদ্ৰাৰ
বিনিময়ত



1. অৰ্থনৈতিক কল্যাণ —

- অৰ্থনৈতিক কল্যাণ মুদ্ৰাৰ মাধ্যমত সাধন কৰিব পাৰি।
- অৰ্থনীতিত কেৱল অৰ্থনৈতিক কল্যাণহে বিশেষকৈ আলোচনা কৰা হয়।



2. অনা-অর্থনৈতিক কল্যাণ —

- অনা-অর্থনৈতিক কল্যাণ হৈছে নৈতিক আৰু সামাজিক কল্যাণ, যিবোৰ মুদ্রাৰে জুখিব নোৱাৰি।
- পিতৃ-মাতৃয়ে সন্তানৰ বাবে কৰা কল্যাণ এক অনা-অর্থনৈতিক কল্যাণৰ উদাহৰণ।


উদাহরণ →



অনা-অর্থনৈতিক কল্যাণ কার্য

Under CSR Support by
ipca | Foundation


অনা-অৰ্থনৈতিক কল্যাণৰ কেইটামান প্ৰকাৰ



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

৬. দৰ (Price)



- কোনো বস্তুৰ মুদ্ৰা মূল্যই হৈছে বস্তুটোৰ দৰ বা দাম।
- অৰ্থাৎ বস্তুৰ বিনিময় মূল্যই হৈছে দাম।
- যেনে এখন কিতাপৰ মূল্য ৭৫ টকা, এটা লেপটপ কম্পিউটাৰৰ সৰ্বোচ্চ খুচুৰা মূল্য ৩২৭৫০ টকা ইত্যাদি।

দৰ



৭. চাহিদা (Demand)

- এজন ভোক্তাৰ কোনো বস্তু এটা পাবলৈ থকা হাবিয়াস বা আকাংক্ষাক চাহিদা বুলি কোৱা হয় যদিহে উক্ত বস্তুটো ক্ৰয় কৰাৰ আৰ্থিক ক্ষমতা ভোক্তাজনৰ থাকে।
- এজন ভিক্ষাৰী লোকে যদি এখন মটৰ গাড়ী কিনাৰ ইচ্ছা কৰে তেন্তে সেই ইচ্ছাক চাহিদা বুলি ক'ব নোৱাৰি।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- কাৰণ ভিক্ষাৰীজনৰ মটৰ গাড়ীৰ কিনাৰ আর্থিক ক্ষমতা নাই।
- চাহিদা অনুপাতে বহুতো বস্তুৰ যোগান কম হ'ব পাৰে।

যেনে — গাখীৰ, আলু, মিঠাতেল, দাইল, চাউল ইত্যাদি। গুৱাহাটী মহানগৰীৰ চাহিদা অনুপাতে গাখীৰৰ যোগান কম।


समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

Demand (চাহিদা)

x' – Quantity

y' – Price



মূল্যায়ন



1 মানুহৰ অভাৱ পূৰণ কৰিব পৰা ক্ষমতাক-

A চাহিদা

B দৰ

C কল্যাণ

D উপযোগিতা

মূল্যায়ন



2 | অনা-অর্থনৈতিক কল্যাণৰ এটা উদাহৰণ দিয়া -

